সাহিত্য অকাডেমি, মহাবিদ্যালয়ৰ উদ্যোগ

# মুৰ্কংচেলেক মহাবিদ্যালয়ত 'সংবাদ মাধ্যম আৰু সাহিত্য' শীৰ্ষক আলোচনাচক্ৰ

নিজা বাতৰি দিওঁতা

**জোনাই, ১ অক্টোবৰ ঃ** সাহিত্য অকাডেমি আৰু মুৰ্কংচেলেক মহাবিদ্যালয়ৰ উদ্যোগত 'সংবাদ মাধ্যম আৰু সাহিত্য' শীৰ্ষক এখন আলোচনাচক্ৰ আৰু 'অস্মিতা' শীৰ্ষক এটা কবিতা অনুষ্ঠান আজি মুৰ্কংচেলেক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। মুৰ্কংচেলেক মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দীপক কুমাৰ দলেৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰত সাহিত্য অকাডেমিৰ ভাৰপ্ৰাপ্ত ১১ পৃষ্ঠাত চাওক

## মুৰ্কংচেলেক মহাবিদ্যালয়ত সংবাদ মাধ্যম

অধিকাৰী ক্ষেত্ৰবাসী নায়কে আদৰণী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সাহিত্য অকাডেমিৰ অসমীয়া ভাষা উপদেষ্টা পৰিষদ তথা আলোচনাচক্ৰৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই কয়, সাহিত্য বিষয়টো মানুহে গৌণ বুলি ভাবে কিন্তু সাহিত্য নোহোৱা হ'লে আমি মানুহ হ'বই নোৱাৰিলোঁহেঁতেন। আমাক যিটো উপাদানে মানুহ কৰিছে সেই বস্তুটোকে বৰ্তমান আমি যেন দলিয়াই পেলাইছোঁ। গতিকে জনসাধাৰণে যাতে কাব্য সাহিত্য শিল্পৰ গুৰুত্ব উপলব্ধি কৰে। সেই উদ্দেশ্য আগত ৰাখি আমি 'সংবাদ মাধ্যম আৰু সাহিত্য' শীৰ্ষক অনুষ্ঠান কৰিছোঁ।' ইয়াৰ পাছতে আলোচনাচক্ৰৰ প্ৰথম সত্ৰত দীক্ষিতা ভূএগৰ সঞ্চালনাত অনুষ্ঠিত 'সংবাদ মাধ্যম আৰু সাহিত্য' শীৰ্ষক অনুষ্ঠানত আলোচনাচক্ৰত এগৰাকী সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি নিয়মীয়া বাৰ্তাৰ মুখ্য সম্পাদক নৰেশ কলিতাই কয়, অসমৰ সংবাদপত্ৰই এতিয়াও সৃষ্টিশীল সাহিত্যক অগ্ৰাধিকাৰ দি আহিছে। অসমৰ অধিকাংশ সংবাদপত্ৰ অথবা বাৰ্তালোচনীত মাথোঁ দৈনন্দিন বাতৰিসমূহ প্ৰকাশ নহয়, প্ৰকাশ হয় গল্প-কবিতাকে ধৰি সৃষ্টিশীল সাহিত্যৰাজি। অসমত পদুৰৈ সৃষ্টিৰ ক্ষেত্ৰত সংবাদপত্ৰসমূহে গ্ৰহণ কৰা এনে নিৰলস প্ৰচেষ্টাৰ বাবেই অসমীয়া ভাষা-সাহিত্যই আজি দেশত গুৰুত্ব আদায় কৰিবলৈ সক্ষম হৈছে। আলোচনাচক্ৰত আন এগৰাকী সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক কিশোৰ শিৱমে কয় যে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমক কণ্ঠহীনৰ কণ্ঠ তথা সৰ্বসাধাৰণৰ মুখৰ মাত বুলি কোৱা হয়। কিন্তু এই কথাষাৰ তাহানিৰ সংবাদপত্ৰ, আলোচনী, ৰেডিঅ' তথা দূৰদৰ্শনৰ সীমিত অনুষ্ঠানৰ মাজতে সীমাবদ্ধ আছিল। সময়ৰ আমূল পৰিৱৰ্তনে অৰ্থাৎ তথা প্ৰযুক্তিৰ উত্তৰণে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক নতুন ৰূপ দিলে। এনে পৰিৱৰ্তনৰ লগে লগে সংবাদ মাধ্যমৰ লক্ষ্য, উদ্দেশ্য আদিও সলনি হৈছে। আনহাতে, সাহিত্য আৰু সংবাদ মাধ্যম এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলিব পাৰি বুলি তেওঁ মন্তব্য কৰে। সমল ব্যক্তি হিচাপে উপস্থিত থাকি গৱেষণাপত্ৰৰ ওপৰত অপৰ্ণা দেৱী, বিদুলা শৰ্মায়ো গৱেষণাপত্ৰ পাঠ কৰে। আলোচনাচক্ৰৰ দ্বিতীয় সত্ৰত অৰবিন্দ ৰাজখোৱাৰ সঞ্চালনাত সংবাদ মাধ্যম আৰু সাহিত্য বিষয়ক আলোচনাত 'দৈনিক অসম' কাকতৰ মুখ্য উপ-সম্পাদক পুলিন কলিতাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি, তাহানিৰ শিলালিপিৰূপৰা আজিৰ ডিজিটেল ব্যৱস্থালৈ সংবাদ মাধ্যমৰ অনেক পৰিৱৰ্তন হৈছে আৰু আগলৈও হৈ থাকিব বুলি মন্তব্য কৰে। শিলালিপিত যেনেকৈ সাহিত্য ব্যৱহাৰ হৈছিল ঠিক তেনেকৈ এতিয়াও বাতৰি লিখিবলৈ সাহিত্য প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। আলোচনাচক্ৰত প্ৰাণজিৎ দাস, শ্যামলী হাজৰিকাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি গৱেষণাপত্ৰ পাঠ কৰে। অনুষ্ঠানৰ শেষত 'অস্মিতা' শীৰ্ষক কবিতা অনুষ্ঠানত অঞ্জনা টায়ুং শইকীয়া, পল্লৱী দলে, প্ৰান্তিকা শৰ্মা, ৰিংকুমণি বড়ো আৰু উষাৰাণী কুম্বাঙে কবিতা পাঠ কৰে।